NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-04-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*
**HEADLINES**

## Headline (06-04-2024) Morn.

১। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থান আৰু উত্তৰ প্ৰদেশৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ কথা আছে।

২। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰশিক্ষাৰ্থী বিষয়াসকলক ৰাজহুৱাসেৱাৰ প্ৰতি উৎকৃষ্টতা, সততা আৰু সংকল্পবদ্ধতাৰ মন্ত্ৰৰে কাম কৰিবলৈ আহ্বান জনায়।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মঙলবাৰ পৰ্যন্ত উত্তৰ পূৰ্বাঞ্চলত ধুমুহা-বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

৪। ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আয়ে কৈছে যে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে উপভোক্তা মূল্য সূচ্যাংক আধাৰিত মুদ্ৰাস্ফীতি ৪ দশমিক ৫ শতাংশ হোৱাৰ সম্ভাৱনা আছে।

*আৰু*

৫। ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাস্ত কৰে।

00000

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ আজেমেৰ জিলাৰ পুষ্কৰৰ সমীপত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। আজেমেৰ আৰু পুষ্কৰৰ বিজেপি প্ৰাৰ্থীদ্বয়ৰ সমৰ্থনত এই সভাৰ আয়োজন কৰা হৈছে। ৰাজস্থানত শ্ৰীমোদীৰ এইখন তৃতীয়খন নিৰ্বাচনী সভা হ'ব।

ইপিনে কংগ্ৰেছে দলীয় ইস্তাহাৰ সন্দৰ্ভত জয়পুৰত আজি এখন বৃহৎ ৰাজহুৱা সভাৰ আয়োজন কৰিছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, জ্যেষ্ঠ নেতা ছোনীয়া গান্ধী আৰু ৰাহুল গান্ধীয়ে এই সভাত ভাষণ দিয়াৰ কথা আছে।

0000

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পূৰা উত্তৰ প্ৰদেশৰ চাহাৰণ পুৰত এখন জনসভা সম্বোধন কৰিব। বিয়লিৰ ভাগলৈ সমাবেশত ভাষণ দিব। সন্ধিয়া শ্ৰীমোদী গাজিয়াবাদত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ কথা আছে।

0000

মণিপুৰত আসন্ন লোকসভা নিৰ্বানত ভোটদাতাসকলৰ সৰ্বাধিক অংশগ্ৰহণৰ লগতে ভোটগ্ৰহণ প্ৰক্ৰিয়া সূচাৰুপুপে সম্পন্ন কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা বছৰ মে'ত জাতিগত হিংসাৰ পিৰপ্ৰেক্ষিতত বিভিন্ন সাহাৰ্য শিবিৰত আশ্ৰয় লৈ থকা লোকসকলক ভোটদানৰ সুবিধা প্ৰদান কৰাৰ লগতে ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

প্ৰথম পৰ্যায়ৰ চুড়াচান্দপুৰ আৰু কাংপকপীকে ধৰি ৭খন জিলাত ৮৫ টা বিশেষ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত লৈছে। ইপিনে, সাহাৰ্য শিবিৰত থকা লোকসকলে এখন উপত্যকা জিৰিবামকে ধৰি এখন জিলাত স্থাপন কৰা ৯টা বিশেষ ভোটগ্ৰহণ কেন্দ্ৰত ভোটদানৰ সুবিধা লাভ কৰিব।

০০০০০

মধ্যপ্ৰদেশত দ্বিতীয় পৰ্যায়ত হ'বলগীয়া ৭খন আসনৰ বাবে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ অন্তত ৯৩ খন মোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। পৰীক্ষাৰ পাছত ১৬খন মনোনয়ন পত্ৰ বাতিল কৰা হয়।

এই দ্বিতীয় পৰ্যায়ৰ বাবে অহা সোমবাৰ হৈছে – মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ইপিনে ৰাজ্যখনৰ নিৰ্বাচনী প্ৰচাৰ ক্ৰমাৎ তুংগত উঠা পৰিলক্ষিত হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙে আজি মধঘ্যপ্ৰদেশৰ চিংগ্ৰাউলী আৰু চিধিত জনসভাত ভাষণ দিব। বিজেপিয়ে দলৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি ৬৫ হাজাৰৰো অধিক ৰভোটগ্ৰহণ কেন্দ্ৰত একে সময়তে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

ইপিনে, কংগ্ৰেছে আজি যুটীয়া প্ৰচাৰ অভিযানৰ ৰণনীতি সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে ভূপালত মিত্ৰজোটৰ অংশীদাৰসকলৰ -এখন বৈঠকৰ আহ্বান কৰিছে। বৈঠকৰ পাছতে ৰাজ্যিক কংগ্ৰেছৰ সভাপতি জিতু পাটোৱাৰীয়ে ইন্দোৰ আৰু মহাউত নিৰ্বাচনী প্ৰচাৰ চলাব। ইপিনে, সমাজবাদী পাৰ্টীয়ে খাজুৰাহোৰ পৰা দলীয় প্ৰাৰথী মীৰা য়াদৰব মনোনয়নৰ বিৰুদ্ধে নিৰ্বাচন আয়োগৰ ওচৰত অভিযোগ উত্থাপন কৰিছে।

০০০০

কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটিয়ে কালি বিয়লি নতুন দিল্লীস্থিত দলৰ মুখ্য কাৰ্যালয়ত লোকসভা নিৰ্বাচন সন্দৰ্ভত এখন বৈঠকত মিলিত হয়। বৈঠকত দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছৰ সংসদীয় গোটৰ অধ্যক্ষ ছুনীয়া গান্ধী আৰু সাধাৰণ সম্পাদক কে চি বেণুগোপাল উপস্থিত থাকে। হাৰিয়ানাৰ দলৰ জ্যেষ্ঠ নেতাসকলেও এই বৈঠকত ভাগ লয়।

০০০০

নিৰ্বাচন আয়োগে সামাজিক মাধ্যম হোৱাটছ্এপযোগে ১৫ লাখ ই ভি এম হেৰুৱা বুলি প্ৰচাৰিত বাৰ্তা ভুৱা বুলি অভিহিত কৰিছে। আয়োগে সামাজিক মাধ্যমযোগে কৈছে যে এই বাৰ্তা ভুৱা আৰু বিভ্ৰান্তিকৰ। আয়োগে লগতে কোনো ই ভি এম হেৰুওৱা নাই আৰু উচ্চতম ন্যায়ালয়েও ই ভি এম হেৰুওৱা সন্দৰ্ভত দাখিল কৰা একাধিক আবেদন খাৰিছ কৰিছে বুলি উল্লেখ কৰিছে। জনসাধাৰণে বিশ্বাসযোগ্য তথ্যৰ বাবে আয়োগৰ চৰকাৰী ৱেব ছাইট চাব লাগে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০

চত্তীশগড় আৰক্ষীয়ে ৰাজ্যসভাৰ বিৰোধী নেতা ড০ ৰচণদাস মহন্তৰ বিৰুদ্ধে এখন এজাহাৰ স্পঞ্জীয়ন কৰিছে। ড০ মহান্তে যোৱা ২ এপ্ৰিলত এখন জনসভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে এটা বিতৰ্কিত মন্তব্য

প্ৰকাশ কৰা বুলি অভিযান উত্থাপন হৈছে। এই মন্তব্যক বিজেপিয়ে তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে এই স ন্দৰ্ভত নিৰ্বাচন আয়োগৰ ওচৰত এটা অভিযোগ দাখিল কৰিছিল। নিৰ্বাচন আয়োগে জিলা নিৰ্বাচনী বিষয়া সঞ্জয় আগৰৱালাক বিষয়টো সন্দৰ্ভত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। এই নিৰ্দেশৰ ভিত্তিত, তেহচিলদাৰ বাৰ্মাই ড০ মহন্তৰ বিৰুদ্ধে কোটৱালী আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰিছে।

০০০০০০

বিহাৰত প্ৰাক্তন ৰাজ্যিক মন্ত্ৰী মুকেশ চাহনীৰ নেতৃতাত্বধীন বিকাশ শীল ইনছান পাৰ্টী (ভি আই পি)য়ে কালি আনুষ্ঠানিকভাৱে বিৰোধী মহা মিত্ৰজোঁটত যোগদান কৰে। আৰ জে ডিৰ জ্যেষ্ঠ নেতা তেজস্বী প্ৰসাদ যাদৱে গোপালগঞ্জ, ঝানঝৰপুৰ আৰু পূব চাম্পাৰণ-এই তিনিখন লোকসভা আসন তেওঁৰ দলে এৰি দিব বুলি ঘোষণা কৰিছে। মহামিত্ৰজোঁটত আসনৰ ভাগ-বাটোৱাৰা চুক্তি অনুসৰি আৰ জে ডিয়ে নিজৰ বাবে ২৬ খন আসন ৰখাৰ বিৰপীতে তিনিখন আসন কংগ্ৰেছত আৰু বাকী ৫ খন আসন বাওঁ দলসমূহৰ বাবে  এৰি দিছে।

০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কালি উত্তৰাখণ্ডৰ মুচৌৰিৰ লালাবাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় প্ৰশাসনিক একাডেমীত ভাৰতীয় প্ৰশাসনিক সেৱাৰ ২০২৩ বেটছৰ প্ৰশিক্ষাৰ্থীৰ বিষয়াসকলৰ সমাৰোহত অংশগ্ৰহণ কৰে। অনুষ্ঠানত শ্ৰীধনখড়ে প্ৰশিক্ষাৰ্থী বিষয়াসকলক ৰাজহুৱাসেৱাৰ প্ৰতি উৎকৃষ্টতা, সততা আৰু সংকল্পবদ্ধতাৰ মন্ত্ৰৰে কাম কৰিবলৈ আহ্বান জনায়।

নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত শ্ৰীধনখড়ে কয় যে এই আইনে কোনো নাগৰিককে নাগৰিকত্বৰ পৰা বঞ্চিত নকৰে বৰং চুবুৰীয়া ৰাষ্ট্ৰসমূহত আতিশায্যৰ বলি হোৱা ধৰ্মীয় সংখ্যালঘুসকলক সহায়হে প্ৰদান কৰে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মঙলবাৰ পৰ্যন্ত উত্তৰ পূৰ্বাঞ্চলত ধুমুহা-বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, ছিকিম আৰু পশ্চিমবংগত পৰৱৰ্তী ৭ দিনত বিজুলী-ঢেৰেকণিৰে মজলীয়া বৰষুণ হ'ব পাৰে আৰু প্ৰতি ঘণ্টাত ৫০ কিলোমিটাৰ পৰ্যন্ত বেগেৰে বতাহ বলিব পাৰে। ঝাৰখণ্ড আৰু ওড়িশাত আজি একেধৰণৰ বতৰ হ'ব পাৰে বুলি বিভাগে প্ৰকাশ কৰিছে।

০০০০০

নিৰ্বাচন আয়োগে সামাজিক মাধ্যম হোৱাটছএপযোগে  ১৫ লাখ ই ভি এম হেৰুৱা বুলি প্ৰচাৰিত বাৰ্তা ভুৱা বুলি অভিহিত কৰিছে। আয়োগে সামাজিক মাধ্যমযোগে কৈছে যে এই বাৰ্তা ভুৱা আৰু বিভ্ৰান্তিকৰ। আয়োগে লগতে কোনো ই ভি এম হেৰুওৱা নাই আৰু উচ্চতম ন্যায়ালয়েও ই ভি এম হেৰুওৱা সন্দৰ্ভত দাখিল কৰা একাধিক আবেদন খাৰিছ  কৰিছে বুলি উল্লেখ কৰিছে। জনসাধাৰণে বিশ্বাসযোগ্য তথ্যৰ বাবে  আয়োগৰ চৰকাৰী ৱেব ছাইট চাব লাগে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আয়ে কৈছে যে দেশত সম্প্ৰতি প্ৰায় ৫০ লাখ উপভোক্তাই কেন্দ্ৰীয় বেংক ডিজিটেল মুদ্ৰা চি বি ডি চি ব্যৱহাৰ কৰি আছে। ইয়াৰে ভিতৰত ৪৬ লাখ খুচুৰা গ্ৰাহক আৰু ৪ লাখ ব্যৱসায়ী আছে। সঞ্চয়ী আধাৰত চি বি ডি চিৰ জৰিয়তে ২ কোটি ২০ লাখ টকাৰ লেন দেন হৈছে। ৰিজাৰ্ভ বেংকৰ উপ-

গৱৰ্ণৰ টি ৰবিশংকৰে কৈছে যে চি বি ডি চিৰ অফ লাইন ব্যৱহাৰৰ বাবে পৰীক্ষা চলি আছে। কালিৰে পৰা এই পৰীক্ষা আৰম্ভ হৈছে। ইয়াৰ অধীনত খেতিয়কসকলৰ চি বি ডি চিৰ ৰূপত ধনৰাশি প্ৰেৰণ কৰা হৈছে আৰু তেওঁলোকে অকল কৃষি সা-সামগ্ৰী ক্ৰয়ৰ বাবেহে এই ধনৰাশি ব্যৱহাৰ কৰিব পাৰিব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাজিত কৰে। ১৬৬ ৰ ৰাণৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা চানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰিত অভাৰ শেষ হ'বলৈ ১১টা বল বাকী থকা অৱস্থাতেই ৬ উইকেটৰ বিনিময়ত বিজয় লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৬৫ ৰাণ সংগ্ৰহ কৰে। হায়দৰাবাদৰ হৈ অভিষেক শৰ্মাই মাত্ৰ ১২টা বলত ৩৭ ৰাণ কৰাৰ বিপৰীতে এইডেন মাৰ্কৰামে ৩৬টা বলত ৫০ ৰাণৰ বৰঙণি আগবঢ়ায়। চেন্নাইৰ হৈ শিৱম ডুবেই সৰ্বাধিক ৪৫ ৰাণ কৰে। অভিষেক শৰ্মাক প্লেয়াৰ অব দ্যা মেটছ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে সাত বজাত জয়পুৰত ৰাজস্থান ৰয়েলছ, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ০০০০